**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ২৮ খন জিলাৰ প্ৰায় ২২ লাখ লোক এতিয়াও বানৰ কবলত আছে। বানত বিগত ২৪ ঘণ্টাত ৮ জন লোকে প্ৰাণ হেৰুওৱাৰ ফলত ৰাজ্যখনত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৬ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ ৯৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। বিগত ২৪ ঘণ্টাত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু অন্যান্য উদ্ধাৰকাৰী বাহিনীয়ে বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে। প্ৰশাসনে স্থাপন কৰা ২৬৯টা আশ্ৰয় শিবিৰত ৫৩ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। কেন্দ্ৰীয় জল আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগতে আন কেইবাখনো নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। বিগত ২৪ ঘণ্টাত অন্যান্য আন্তঃগাঁথনিৰ লগতে ১৭২টা পথ আৰু ৬ খন দলং ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বানত ১৫ লাখৰো অধিক পশুধনৰ ক্ষতি হৈছে।

মন্ত্ৰী কেশৱ মহন্তই আজি জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কাষৰীয়া বান ক্ষতিগ্ৰস্ত অঞ্চলৰ আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকা জনসাধাৰণৰ সৈতে মত বিনিময় কৰাৰ উপৰি খাদ্য সামগ্ৰীৰ ব্যৱস্থাপনা, চিকিৎসা সেৱা আদিৰ বুজ লয়। তেওঁ বৰভগীয়া ৰাতুলঘাট, এৰাকলং মাজুলী আদি অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ইফালে, ইউনিচেফৰ এটা দলে আজি টিংখাং ৰাজহ চক্ৰৰ ধানপুৰ মজলীয়া বিদ্যালয় আৰু বালিয়নি বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। দলটোৱে শিবিৰত থকা মহিলা, শিশু তথা কিশোৰীসকলৰ বাবে উপলব্ধ সা-সুবিধাৰ বুজ লোৱাৰ উপৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ দ্বাৰা শিবিৰত চলাই থকা কাৰ্যকলাপ সম্পৰ্কেও অৱগত হয়।

বানৰ সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে চলাচল কৰা উজনি আৰু নামনি অভিমুখী যান-বাহনসমূহক আৰক্ষী আৰু বন বিভাগৰ বাহনৰ জৰিয়তে এছক’ৰ্ট প্ৰদান কৰি চলাচল কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনত চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে প্ৰথমবাৰলৈ থাৰ্মেল ড্ৰোণৰ ব্যৱহাৰ কৰা হৈছে। বানৰ সময়ত বন্য জন্তুৰ সুৰক্ষাৰ বাবে উদ্যান কৰ্তৃপক্ষই তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰি এই পদক্ষেপ লৈছে। উল্লেখযোগ্য যে বানৰ সময়ত ৰাষ্ট্ৰীয় উদনৰ পৰা ওলাই অহা বন্য জন্তুসমূহে কাৰ্বি পাহাৰৰ লগতে জনাঞ্চলতো আশ্ৰয় লৈ আছে। এনেক্ষেত্ৰত চোৰাং চিকাৰীয়ে যাতে জীৱ-জন্তুসমূহৰ ক্ষতি কৰিব নোৱাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা লোৱা হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনৰ ৬৯ টা বন শিবিৰ জলমগ্ন হৈ আছে। আনহাতে, ১৩১ টা বন্যপ্ৰাণীৰ মৃত্যু হোৱাৰ বিপৰীতে ৯৭ টা বন্য জন্তু উদ্ধাৰ কৰা হৈছে।

কৰিমগঞ্জ জিলাৰ বিভিন্ন অঞ্চল বানত বুৰ গৈছে। জিলাখনৰ নিলাম বজাৰ, কৰিমগঞ্জ সদৰ বদৰপুৰ আৰু পাথাৰকান্দি ৰাজহ চক্ৰৰ ৬০ টা অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত স্থাপন কৰা ৪২ টা শিবিৰত ৩ হাজাৰ ৫০০ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। জিলাখনত ৪০ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। গোলাঘাট জিলাৰ বোকাখাতৰ কুৰুৱাবাহী নিকৰি ঘাটত ধনশিৰি নৈত পৰি এজন লোক সন্ধানহীন হোৱা বুলি জানিব পৰা গৈছে।

বৰপেটা জিলাৰ সামগ্ৰিক বান পৰিস্থিতি উন্নত হৈছে। পানী হ্ৰাস পোৱাৰ পাছত বিভিন্ন অঞ্চলত ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱাৰ আশংকা কৰি স্বাস্থ্য বিভাগে শিবিৰ মুকলি কৰাৰ লগতে সজাগতা সভা অনুষ্ঠিত কৰিছে। জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকে প্ৰকাশ কৰা মতে নৌকা স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে চৰ অঞ্চলসমূহত এনে শিবিৰ মুকলি কৰা হৈছে। তদুপৰি পোহনীয়া জীৱ-জন্তুৰ বাবেও জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগে শিবিৰ মুকলি কৰিছে।

০০০০০০০০

অসমৰ আৰক্ষীয়ে ৰাজ্যৰ ভিন্ন প্ৰান্তত গৰুৰ চোৰাং সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। যোৰাবাট আৰক্ষীয়ে আজি অভিযান চলাই চোৰাংকৈ সৰবৰাহ কৰা অৱস্থাত ২৫ টা গোধন উদ্ধাৰ কৰে। গোপন সূত্ৰৰ পম খেদি আৰক্ষীৰ দলে মেঘালয়লৈ সৰবৰাহৰ চেষ্টা চলোৱাৰ সময়ত দুখন বাহনৰ পৰা গোধনসমূহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তিনিটা সৰবৰাহকাৰীক আটক কৰিছে।

0000000

**সমাপ্ত**